# মিনা আগৰৱালা



দিলীপ কুমাৰ বৰুৱা

**“শোণিত সুবাস”** ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্রন্থমালা। প্রকাশক অসমীয়া ক্লাৱ, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্রকাশক ঃ সম্পাদক, অসমীয়া ক্লাৱ, তেজপুৰ
ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১,

মিনা আগৰৱালা ঃ মিনা আগৰৱালা
লিখক ঃ দিলীপ কুমাৰ বৰুৱা

প্রচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাৱ, তেজপুৰ

প্রথম প্রকাশ ঃ ৪ মে’ ২০১৪

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্রেক, কুমাৰ গাঁও, তেজপুৰ

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অৱগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাৱ, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাৱৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভুক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাৱে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাৱৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাৱৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যি সকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেই সকলৰ ক্লাৱৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাত কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাৱ আৰ্থিক দৈন্যত নপৰে।

যি সকলে লিখা প্ৰস্তুত কৰি দি ক্লাৱৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাৱে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'ট্ৰাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাৱৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাৱ, তেজপুৰ**

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনে ভাৰতবৰ্ষৰ পুৰুষৰ লগতে নাৰী সমাজতো আলোড়ন-কম্পন তুলিছিল চিন্তাৰ আৰু সমাজ সেৱাৰ। নাৰী জাতি অবলা, নাৰী জাতি দুৰ্বল এনে পুৰণি ৰক্ষণশীল চিন্তা বিনাশি সকলো নীচতা, দৈন্যতা আঁতৰাই হাজাৰ হাজাৰ নাৰী ওলাই আহিছিল ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ মাজেৰে এখনি সুস্থ সবল ভাৰতবৰ্ষ গঢ়িবলৈ। শতেক স্বাধীন ভাৰৰ ৰাগিনী তুলি আইদেউৰ জোনাকী বাটেদি নাৰী সকল ওলাই আহিছিল এখন শোষণ মুক্ত স্বাৱলম্বী সমাজ গঢ়িবলৈ, সকলো দুষ্কৃতি আঁতৰাই সংস্কৃতিৰ এখন সুন্দৰ সমাজৰ বুনিয়াদ ৰচিবলৈ। ঐতিহাসিক নগৰ তেজপুৰলৈও এই আলোড়ন-কম্পনৰ প্ৰবাহ আহিছিল। হিয়াত বিজয় সাহস লৈ ওলাই আহিছিল বহু কেইগৰাকী নাৰী। সমাজক সেৱাক প্ৰতিমা ভাবি ওলাই অহা এনে এগৰাকী নাৰী আছিল শ্ৰী মিনা আগৰৱালা।

মিনা আগৰৱালাৰ ব্যক্তিগত জীৱন প্ৰৱাহৰ লগত জড়িত হৈ আছে তেজপুৰৰ বিখ্যাত আগৰৱালা পৰিয়ালৰ ইতিহাসৰ এছোৱা আৰু তেজপুৰৰ নাৰী সংগ্ৰাম, সংস্কৃতি, সমাজ জীৱনৰ ইতিহাসৰো অলেখ ঘটনা। এফালে তেজপুৰত অসমৰ সাহিত্য-সংস্কৃতিৰ জাগৰণ-আনফালে ভাৰতৰ স্বাধীনতা আন্দোলনৰ উত্তপ্ত কোবাল প্ৰবাহ, ইয়াৰ মাজত স্বাধীনতা সেনানী পৰিয়ালৰ এগৰাকী নাৰী হিচাপে মিনা আগৰৱালাৰ বলিষ্ঠ ভূমিকা আজিৰ নাৰীয়ে আজিৰ নতুন পুৰুষে জানিলেহে তেওঁলোকে কালিলৈ লুইতৰ ঘাটেদি বিশ্বনাগৰিক হৈ ওলাই যাব পাৰিব। কিন্তু জীৱন যৌৱনৰ সেই মৰ্ম্মদ সংগ্ৰামী সাহসিকতাৰ কাহিনী ক'বলৈ সেই দুৰ্জেয় অগ্নিশিখাগৰাকী আজি নিৰ্বাক। চকুৰ উজ্জল দীপ্তিৰে তেওঁ যেন বহু কথা ক'ব কিন্তু সেই বাক্য শক্তি দুৰ্জেয় শাৰীৰিক শক্তি সকলো নিষ্ঠুৰ ভাবে কাঢ়ি নিলে সময়ে। তথাপি অ'ত-ত'ত সিঁচৰিত বহু লেখনি বহু কথা আৰু বাইদেউৰ জীয়ৰী শ্ৰী মিনাক্ষী ভূঞাৰ কথা-বাৰ্তাকে সম্বল কৰি এই গৰাকী মহীয়সী নাৰীৰ জীৱনৰ সেই মৰ্ম্মদ জীৱন যাত্ৰাৰ মনোৰম কাহিনীবোৰ লেছেৰি বুটলি আগবাঢ়ো আহকচোন।

**এটি তৰাৰ জন্ম ঃ-**

মানুহজনৰ নাম নগেন্দ্ৰ নাথ বৰুৱা। সৰুৰে পৰা অতি পৰিশ্ৰমী



আৰু সংস্কৃতিৰ অনুৰাগী আছিল তেওঁ। ঘৰ আছিল নগাঁৱৰ নৈনত। বিখ্যাত খৰঙি বৰুৱা পৰিয়ালৰ সন্তান। এই উদ্যমী যুবকজনে নগাঁৱৰ কেইবাখনো চাহ-বাগিছাত পৰিচালক পদত চাকৰি কৰি অৱশেষত চাকৰি কৰে নামৰূপ চহৰৰ পৰা দূৰৈত ভিতৰুৱা স্থানত অৱস্থিত দিল্লী চাহ বাগিছাত। এই চাহ বাগিছাৰ পৰিচালক পদত থাকোতেই বিয়া কৰায় চতিয়াৰ সলাল গাঁৱৰ হাজৰিকা পৰিয়ালৰ জীয়ৰী হেমলতা বৰুৱাক। এই হেমলতা বৰুৱাৰ দেউতাক আছিল এগৰাকী আৰক্ষী বিষয়া। হেমলতা বৰুৱাৰ মাক নাছিল, আছিল এজন ককায়েক। নাম আছিল দিবাকৰ হাজৰিকা। তেওঁ চিকিৎসক আছিল আৰু চিভিল চাৰ্জন পদ লাভ কৰিছিল। দেউতাক কমলা হাজৰিকাই ঘৰ সাজিছিল তেজপুৰৰ বৰ্ত্তমানৰ লুইত হোটেলৰ কাষত। আনহাতে হেমলতা বৰুৱাৰ একমাত্ৰ পুতেক আছিল নিৰেন্দ্ৰ নাথ বৰুৱা(নানা)। হেমলতা বৰুৱাৰ এগৰাকী মাহীমাক আছিল নাম হেমকান্তি হাজৰিকা। উজনিৰ এই হেমকান্তি হাজৰিকা আইতা হেনো মণিৰাম দেৱানৰ জী আজু নাতিনী।

নগেন্দ্ৰ নাথ বৰুৱা দিল্লী চাহ বাগিছাত পৰিচালক পদত থাকোতেই ১৯২৪ চনৰ ১৫ ডিচেম্বৰ তাৰিখে তেওঁৰ প্ৰথম কন্যাৰ জন্ম হয়। জন্মতে কন্যাটিৰ মুখখন হেনো সাইলাখ দেউতাকৰ মুখৰ সদৃশ আছিল। প্ৰৱাদ আছে পিতৃ গঢ়ি কন্যা হেনো গুণৱতী লক্ষীৰূপা হয়। নিচেই পুৱাতে জন্ম হোৱা বাবে দেউতাকে কন্যাটিৰ নাম দিলে সুপ্ৰভা অৰ্থাৎ সুপ্ৰভা বৰুৱা। আকৌ ঘৰৰ প্ৰথম কন্যা কিমান যে আনন্দ উলাহৰ ঘটনা। মোমায়েক দিবাকৰ হাজৰিকাই কন্যাটিৰ নাম দিলে মিনা বৰুৱা। তেঁৱেই তেজপুৰৰ সকলোৰে শ্ৰদ্ধাৰ সমাজ সেৱিকা, শিল্পী, নাৰী আন্দোলনৰ অগ্ৰদূত, আগৰৱালা পৰিয়ালৰ সন্মানিতা বোৱাৰী- ''অ' মোৰ আপোনাৰ দেশ ' গীতৰ সুৰস্ৰষ্টা প্ৰাক্তন বিধায়ক সাংসদ কমলা প্ৰসাদ আগৰৱালাৰ জীৱন সঙ্গী শ্ৰী মিনা আগৰৱালা। দেউতাকে দিয়া সুপ্ৰভা নামটো লিখিত ৰূপতে থাকি গ'ল। মিনাৰ জন্মৰ দুবছৰৰ পিছত জন্ম হ'ল তেওঁৰ মৰমৰ ভায়েক নিৰেন্দ্ৰ নাথ বৰুৱা(নানা)ৰ। চাহ বাগিছাৰ পৰিচালকৰ ঘৰৰ এক আনন্দ পূৰ্ণ জীৱন আৰু তেনে ৰং উলাহৰ মাজত উমলি-জামলি লহপহকৈ বাঢ়িল দুটি সন্তান মিনা আৰু নানা।

কিন্তু হঠাৎ পৰিয়ালটোলৈ নামি আহিল ঘোৰ অন্ধকাৰ। মিনাৰ তেতিয়া মাত্ৰ আঢ়ৈ বছৰ আৰু নানাৰ পাচঁমাহ। দেউতাক নগেন্দ্ৰ নাথ বৰুৱাৰ হঠাৎ ব্লেক ৱাটাৰ ফিভাৰ (Black Water Fever) হ'ল। লৰা-লৰিকৈ তেওঁক ডিব্ৰুগড়ৰ বেৰি হোৱাইট মেডিকেললৈ নিয়া হ'ল। কিন্তু তেওঁক মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰিব পৰা নহ'ল। দুটি অকণমানি সন্তানক লৈ হেমলতা বৰুৱাৰ জীৱনলৈ নামি আহিল এক সীমাহীন দুখ-এক ভয়ানক দুৰ্যোগ। হেমলতাৰ দেউতাক কমলা হাজৰিকাই দুটি অকণমানি সন্তানৰ সৈতে হেমলতাক লৈ আহিল তেজপুৰৰ ঘৰলৈ। ককায়েক দিবাকৰ হাজৰিকাৰ সাহসকে লৈ স্বামীগৃহৰ সকলো হেৰুৱাই আৰম্ভ কৰিলে এক পৰিকল্পিত জীৱন যাত্ৰা। ককায়েক দিবাকৰে প্ৰথমতে এম, ভি, পৰীক্ষা দিবলৈ উৎসাহিত কৰিলে। কোলাত পিয়াহ খোৱা কেচুৱালৈ পঢ়ি অতি কষ্টৰে হেমলতাই এম, ভি, পাছ কৰিলে আৰু পাছ কৰাৰ কিছুদিন পিছতে শিক্ষয়িত্ৰীৰ পদ এটাও লাভ কৰিলে। পৰিয়ালটোলৈ এক অৰ্থনৈতিক স্বাৱলম্বন আহিল। সেয়া আছিল ১৯২৮/২৯ চনৰ কথা।

১৯১৯ চনৰ তেজপুৰৰ নাৰী সমাজৰ বাবেও এক উল্লেখযোগ্য বৰ্ষ। সেইবৰ্ষতে তেজপুৰৰ স্বাধীনতা সেনানী, অগ্নিকন্যা চন্দ্ৰ প্ৰভা শইকীয়ানীয়ে জন্ম দিলে নাৰীসকলৰ বাবে এটি নতুন অনুষ্ঠান 'তেজপুৰ মহিলা সমিতি'। চন্দ্ৰ প্ৰভা শইকীয়ানীৰ জন্ম হৈছিল বজালীৰ দৈশিঙৰী গাঁৱত ১৯০১ চনৰ ১৬ মাৰ্চত আৰু তেজপুৰ মজলীয়া স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হয়হি ১৯১৮ চনত। ভাৰতৰ স্বাধীনতা আন্দোলনৰ দুৰ্বাৰ আৰ্কষণৰ বাবে চন্দ্ৰ প্ৰভা শইকীয়ানীয়ে এম, ভি, স্কুলৰ প্ৰধান শিক্ষকৰ পদ স্ব-ইচ্ছাই ত্যাগ কৰে। তেওঁৰ পিছত প্ৰধান শিক্ষয়িত্ৰী হয়হি তেজপুৰ পল'ফিল্ডৰ চন্দ্ৰবালা বৰুৱা। এই গৰাকী শিক্ষয়িত্ৰী সৰ্বগুণ সম্পন্ন উচ্চ ব্যক্তিত্বৰ সামাজিক মহিলা-যাৰ তলতে মিনা আগৰৱালাৰ মাতৃ হেমলতা বৰুৱাই চাকৰি কৰাৰ সৌভাগ্য ঘটে। বহু সমস্যাৰ মাজত দুটি অকণমানি শিশু ডাঙৰ কৰাৰ উপায় ওলাল।

**শৈশৱৰ ৰং ধেমালি ঃ-**

সেই সময়ত শৈশৱ মানেই হ'ল আনন্দ স্ফূৰ্ত্তিৰ পৰিৱেশ। প্ৰকৃতিৰ



বুকুত বনৰীয়া ফুলৰ মাজে মাজে পখিলা, জিঞা খেদি পোৱা আনন্দৰ মাদকতাই সুকীয়া। তদুপৰি আগচোতালত বকুলৰ তলত শিশুৰ কোলাহলপূৰ্ণ ক'তবোৰযে খেলা! হাই গুদু, লুকা-চুৰি, যোৰ-বিযোৰ, খলা গুটি খেল, গছ কুপতি, দৌৰা-ঢপৰা, গছত উঠা কিমান যে খেল! শৈশৱত মিনা আছিল অত্যন্ত খেল প্ৰিয়। সেই সময়ত নতুনকৈ চাইকেল আহিছে তেজপুৰলৈ-গতিকে চাইকেল চলোৱাতো প্ৰৱল উৎসাহ। তদুপৰি সন্ধ্যা সাধু শুনে আইতাকৰ পৰা।

কিছু বুজন হোৱাত মিনাৰ নামভৰ্ত্তি হ'ল তেজপুৰ মজলীয়া বিদ্যালয়ত। বিদ্যালয়ত মিনাৰ লগৰীয়া আছিল স্বৰ্ণপ্ৰভা মহন্ত(প্ৰাক্তন মন্ত্ৰী), পাৰুল দাস, ৰমলা আগৰৱালা, অলকা আগৰৱালা, মিন্টু দাস, বীণা বৰঠাকুৰ, হেম নলিনী গোস্বামী আৰু অনেক। বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী আছিল চন্দ্ৰবালা বৰুৱা। তেজপুৰ প'লফিল্ডৰ এই গৰাকী মহিলা আছিল অতি ব্যক্তিত্ব ৰণজিৎ মহিলা। অসমৰ সু লেখিকা শ্ৰী অৰুপা পটঙ্গীয়া কলিতাৰ পেহীয়েক। অদ্ভুত মেধা সম্পন্না আছিল এই গৰাকী প্ৰধান শিক্ষয়িত্ৰী। মিনা আছিল বিদ্যালয়ৰ সকলোতে আগৰণুৱা। খেলা-ধূলাৰ উপৰিও সঙ্গীতৰ প্ৰতি তেওঁৰ আছিল প্ৰৱল অনুৰাগ। গণিত অতি প্ৰিয় বিষয় আছিল মিনাৰ। ভাল এথেলেটচ আছিল তেওঁ। গান শিকিবলৈ মাহীয়েকৰ লগত কণমানি মিনা গৈছিল আগৰৱালা পৰিয়ালৰ 'পকী' লৈ। অৰ্গেন, পিয়ানু বজাই জ্যোতি প্ৰসাদে গীত গোৱা দেখিছিল। সুন্দৰ এই মানুহজনৰ সুৱদি কণ্ঠত মনোলোভা গীতবোৰ শুনি মিনায়ো আওঁৰাইছিল সেই গীতবোৰ।

সোণৰ শৈশৱ কালৰ মজাই বেলেগ। কিছু ডাঙৰ হোৱাৰ পৰা আৰু পঢ়িব পৰা হোৱাৰ পৰা মিনাই পঢ়িবলৈ ধৰে বঙালী ভাষাৰ সুন্দৰ কাহিনীবোৰ। মোহন চিৰিজৰ ৰোমাঞ্চকৰ কাহিনীবোৰ পঢ়ি তভক মাৰি বহি থাকে। সেইসময়ত ৰাচিয়াত হোৱা বিপ্লৱৰ কাহিনী শুনি ভাৰতবৰ্ষতো তেনে বিপ্লৱৰ সপোন ৰচে মিনাই। মিনাৰ ডাঙৰ সপোন আছিল এগৰাকী পাইলট হোৱাৰ। চো মাৰি বিমান চলোৱাৰ মিনাই কেৱল সপোন দেখে।

সেই সময়ত আলহীৰে ঘৰ ভৰি থাকে। বিশেষকৈ চতিয়াৰ পৰা অহা আলহী প্ৰায় থাকেই। সন্ধ্যা সাধুৰ খোলা বহে ঘৰৰ চোতালত। কিমান যে

মনোৰম সাধু! সেইসময়ত আলহী আহিলে মিনা আনন্দত আত্মহাৰা হয়। বিষ্ণু ৰাভাই লগৰ সমনীয়া ছোৱালীবোৰ গোটাই গীত গাই নাচ শিকায়। কাষতে কলচী লৈ যাই অ' ৰচকী বাই.....। আকৌ শিকাই আজলী ছোৱালী..... আদি গীত আৰু নৃত্য। মাজে মাজে গান-নাচ শিকোৱা ককাইদেউ চোন নহা হয়। মিনাই বিষ্ণু ৰাভাৰ লগত ওফোন্দ পাতে। ইমান দিন কিয় নাহিছিলা, আমি তোমাক নামাতোঁ, গানো নিশিকোঁ .....। বিষ্ণু ককাইদেউৱে আলফুলীয়াকৈ মৰম কৰি ওফোন্দ ভাঙে। আকৌ নাচ আৰম্ভ হয়।

১৯৩৭ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ শোণিত কুঁৱৰী নাটক বৰ্ত্তমানৰ বঙালী থিয়েটাৰত অনুস্থিত হয়। এই নাটকত শোণিত কুঁৱৰী পৰিচালনা কৰে প্ৰধান শিক্ষয়িত্ৰী চন্দ্ৰবালা বৰুৱাই, তেওঁ গানো শিকাই দিয়ে। অনুৰাধা চৌধুৰী হয় উষা আৰু মিনা হয় চিত্ৰলেখা; অভিনয়ে সকলোকে মোহিত কৰে। তদুপৰি সেই সময়ত এগৰাকী তেজপুৰৰ খ্যাতি সম্পন্না গায়িকা আৰু নৃত্য শিল্পী হিচাপেও মিনাই নিজৰ গৰিমা প্ৰকাশ কৰে। বাণ থিয়েটাৰৰ ইতিবৃত্তটো এই কথা সুকীয়াকৈ উল্লেখ আছে। (পৃঃ ৫৬)

**বাণ থিয়েটাৰৰ মহিলা অৰ্কেষ্ট্ৰা- পাৰ্টি ঃ-**

জ্যোতিপ্ৰসাদ আগৰৱালাই বিলাতৰ পৰা ঘূৰি আহি ১৯৩৩ চনত গঠন কৰে বাণ থিয়েটাৰ অৰ্কেষ্ট্ৰা পাৰ্টি। ভাৰতীয় বাদ্য-যন্ত্ৰ বেহেলা, বাঁহী, খোল, ভোৰতাল, খুটিতাল, ঢোল, জল-তৰঙ্গ আদিৰ লগতে পশ্চিমীয়া বাদ্য-যন্ত্ৰ অৰ্গেন, পিয়ানো, হাৰমণিয়াম, গীটাৰ, এচৰাজ আদিৰ ব্যবহাৰ হ'ল। বগা ধুতি, বাসন্তী ৰঙৰ পাঞ্জাৱী আৰু কান্ধত বগা চেলেং চাদৰ পৰিহিত অৰ্কেষ্ট্ৰা দলৰ শৃংখলিত পোছাক আছিল অতি সুন্দৰ।

এই সময়তে গঠন হয় বাণ থিয়েটাৰৰ মহিলা অৰ্কেষ্ট্ৰা পাৰ্টি। এনে অৰ্কেষ্ট্ৰা দল গঠন সেই সময়ত ভাৰতবৰ্ষতে বিৰল আছিল।

এই অৰ্কেষ্ট্ৰা দলৰ মহিলাসকল আছিল- গিৰিজা বৰুৱা, আইদেউকন গোঁহাঞি, লহৰীলতা গোঁহাঞি বৰুৱা, অন্ন আগৰৱালা, প্ৰফুল্লৱালা বৰুৱা, উষা বৰুৱা, কমলা আগৰৱালা, ভানু আগৰৱালা, পাৰুল দাস, সুপ্ৰভা বৰুৱা(মিনা আগৰৱালা), কুসুম কুমাৰী কাকতি, ৰেণু হাজৰিকা,পূৰ্ণিমা দাস,



আৰু অলকা আগৰৱালা। ১৯৩৬ চনত তেজপুৰত অনুস্থিত অসম সাহিত্য সভাৰ ষষ্ঠদশ অধিবেশনত এই অৰ্কেষ্ট্ৰা দলে যন্ত্ৰ সংগীতৰ অনুষ্ঠান পৰিবেশন কৰি এক বিৰল ইতিহাস ৰচনা কৰে। মিনা আগৰৱালাই এই অৰ্কেষ্ট্ৰা দলত খুটি-তাল বজাইছিল। যদিও ফটোখনত মুখত বাঁহী আছিল।

আমি পূৰ্বতে কৈছোঁ যে মিনা আগৰৱালাৰ আন দুটি বিশেষ পাৰদৰ্শিতা আছিল গীত গোৱা আৰু নৃত্য। শৈশৱত বিষ্ণু ৰাভাই শিকোৱা নৃত্য পৰিবেশন কৰিছিল তেজপুৰৰ বিভিন্ন মঞ্চত। তদুপৰি বিভিন্ন নাটকৰ মাজৰ নৃত্য সমূহতো আধুনিক নৃত্যৰ লগতে মিনাই নাচি নিজাকৈ এগৰাকী নৃত্য শিল্পী হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। এই বিষয়ে মিনা আগৰৱালাই লিখিছে- ১৯৩৮ চনৰ ১৪ বছৰ বয়সত মই 'শোণিত কুঁৱৰী' নাটকৰ মুখ্য চৰিত্ৰ চিত্ৰ -লেখাৰ ভূমিকা লৈছিলো। নাটকত সংগীত পৰিচালনা কৰিছিল জ্যোতিৰ ভাতৃ ঁকমলা প্ৰসাদ আগৰৱালাই।

**বৈবাহিক জীৱনঃ-**

অষ্টম-নৱম (১৩ বছৰ) মানত পঢ়ি থাকোতেই জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভাতৃ কমলা প্ৰসাদ আগৰৱালাৰ সৈতে মিনালৈ বিয়াৰ প্ৰস্তাৱ আহিল। সকলো গুণেৰে বিভূষিতা সৃষ্টিশীল মিনাই এই প্ৰস্তাৱত চকখাই উঠিল। ভীষণ আপত্তি কৰিলে এই প্ৰস্তাৱৰ। মিনাৰ সপোন আছিল পঢ়ি শুনি উৰাজাহাজৰ পাইলট হোৱাৰ। বিয়া হ'লে দেখোন সকলো শেষ হৈ যাব। বিধবা মাক বিমোৰত পৰিল। নাখাই নবৈ মাকক খাটনি ধৰিলে। উপায় নাপাই মোমায়েক দিবাকৰে মিনা আৰু তেওঁতকৈ ৩ বছৰ ডাঙৰ মাহীয়েক ৰেণুক লৈ আহিল। সাংস্কৃতিক জীৱন এৰি থৈ শ্বিলং পালেগৈ। তাতে মোমায়েকে মিনাক ছোৱালী হাইস্কুলত নাম লগাই দিলে। মিনাই মোমায়েক মামীয়েকৰ মৰম চেনেহত পঢ়িবলৈ ধৰিলে। মিনাই তাতে প্ৰধান শিক্ষয়িত্ৰী হিচাপে লগ পালে এগৰাকী অসমীয়া বিদূষী মহিলা ইন্দিৰা মিৰিক। মিৰি বাউদেউৰ ব্যক্তিত্ব সমাজচিন্তাই মিনাক আৰ্কষিত কৰিলে। মিনাই সপোন দেখিলে পঢ়ি শুনি সমাজৰ পিছপৰা মহিলাসকলৰ বাবে কিছু নিষ্ঠাপূৰ্ণ সেৱা আগবঢ়োৱাৰ।

এই সময়তে মামীয়েকে আদৰেৰে মিনাক শিকালে ঘৰুৱা কাম-কাজ, ৰন্ধা-বঢ়া চিলাই ইত্যাদি। সংগীত নৃত্যৰ লগতে দৈনন্দিন এই কামবোৰতো মিনা পাৰ্গত হ'ল। মাৰ্জিত ব্যবহাৰ আৰু হাঁহিমুখীয়া মনে সকলোৰে অন্তৰ জয় কৰিলে। মিনাৰ মাক আৰু ভায়েকলৈ আছিল অতি চেনেহ। দেউতাকৰ নামটোৰ বাহিৰে একোৱেই মনত নাই মিনাৰ। শুনিছিল দেউতাক হেনো বৰ ধুনীয়া মানুহ আছিল। সংস্কৃতি অনুৰাগী আছিল। ৰোগে তেওঁক আঁতৰাই নিলে, মিনাৰ আঢ়ৈ বছৰতে। কথাবোৰ ভাবিলে মিনাৰ সেই ছাত্ৰী অৱস্থাৰ মনটোত আউল লাগে, এধাৰি চকুলো বৈ আহে।

দশম মানত পঢ়ি থাকোতে মিনাই সন্মতি দিব লগা হ'ল- আগৰৱালা পৰিয়াললৈ বিয়া হোৱাৰ। ১৯৪০ চনৰ ১৬ জানুৱাৰী তাৰিখে তেজপুৰৰ বিখ্যাত সংস্কৃতিবান পৰিয়ালৰ সুন্দৰ যুৱক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভাতৃ অ' মোৰ আপোনাৰ দেশ জাতীয় সঙ্গীতৰ সুৰ স্ৰষ্টা কমলা প্ৰসাদ আগৰৱালা লৈ বিয়া হ'ল সুপ্ৰভা বৰুৱা। সুপ্ৰভা বৰুৱা বা মিনা বৰুৱা সেইদিনাৰ পৰা পৰিচিত হ'ল মিনা আগৰৱালা হিচাপে।

মিনা আগৰৱালাৰ নিজা ভাষাত, ''বিয়াৰ পিছত ৰান্ধি-বাঢ়ি ঘৰুৱা কাম নিয়াৰিকৈ চলোৱাত জ্যোতিপ্ৰসাদ সন্তোষ প্ৰকাশ কৰে আৰু তেখেতৰ ভাৰ্যা দেৱযানীক হেনো কৈছিল, ''চিত্ৰলেখাক ঠিকেই নিৰ্বাচন কৰা হৈছিল'' আজিও সেই প্ৰশংসা সুঁৱৰি মোৰ মন তৃপ্তিৰে ভৰি পৰে।''

তেজপুৰ চহৰৰ মাজ মজিয়াত আছিল 'পকী'- আগৰৱালা পৰিয়ালৰ ঘৰ। ইয়াতে মিনা আগৰৱালা বোৱাৰী। পকী সেই সময়ত এখন ঘৰেই নহয়, পকী আছিল অসমৰ সাংস্কৃতিক, বৌদ্ধিক, ৰাজনৈতিক, মহিলা সবলীকৰণ আন্দোলনৰ প্ৰাণকেন্দ্ৰ। মিনা আগৰৱালাৰ বৰজনা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল স্বাধীনতা আন্দোলনৰ অগ্ৰগামী সেনানী, সাংস্কৃতিক ৰূপান্তৰৰ পোহৰৰ অভিযাত্ৰী শিল্পী, কবিতা গীত নাটকৰ নৱ নৱ চিন্তাৰ কাণ্ডাৰী। আনহাতে শাহুৱেক কিৰণময়ী আগৰৱালা আছিল তেজপুৰৰ মহিলা সবলীকৰণ আন্দোলনৰ এগৰাকী অতি ব্যস্ত মহিলা। স্বামী কমলা প্ৰসাদ আগৰৱালা সংগীত প্ৰিয় লোক যদিও সামাজিক কাম তথা ৰাজনীতিত অতি ব্যস্ত। তদুপৰি আগৰৱালা পৰিয়ালৰ ঘৰখন আলহী অতিথিৰে সদায়



দলদোপ-হেন্দোলদোপ। সকলোৰে মধ্যমণি এগৰাকী ১৬ বছৰীয়া বোৱাৰী মিনা আগৰৱালা।

বোৱাৰী হিচাপে তিনিটা পুত্ৰ আৰু দুগৰাকী কন্যা সন্তানৰ মাতৃ হয় মিনা আগৰৱালা। তেওঁলোক হ'ল- দিলীপ কুমাৰ আগৰৱালা, শ্ৰীমিনাক্ষী ভূঞা, নীলাক্ষী আগৰৱালা, শ্ৰী লুইত আগৰৱালা আৰু মনিষ আগৰৱালা। বোৱাৰী হিচাপে এগৰাকী অসমীয়া নাৰীৰ স্বাভিমান ৰক্ষা কৰি হাঁহি হাঁহি মিনা মুখামুখি হৈছিল বহু বিচিত্ৰ সাংসাৰিক জীৱন যাতনাৰ; ৰাজহুৱা জীৱনত আৰু অসমৰ ৰূপ তীৰ্থৰ শিল্পী বৰজনা জ্যোতি ককাইদেউৰ শিল্পীসত্তা আৰু বিপ্লৱী জীৱনবোধৰ বহু ঘটনা পৰিঘটনাৰ লগত। সেই সময়ত পকীৰ এগৰাকী সকলোৰে মৰমৰ কৰ্মচাৰী আছিল ঘনকান্ত দাস যি মিনা আগৰৱালাৰ সন্তানৰ উপৰিও জ্যোতি ককাইদেউৰ সন্তানৰ পাঠদানৰ ব্যৱস্থা কৰিছিল। জ্যোতি ককাইদেউৰ হেনো নিজৰ সন্তানক পাঠদান কৰোঁতে ভীষণ খং উঠে আৰু তেতিয়া ভায়েক কমলাপ্ৰসাদে শিশু কেইটাক ঘনকান্ত দাসকে নিয়মীয়াকৈ পঢ়াবলৈ লগায়।

১৯৪০ চনৰ পৰা ১৯৪৫ চনলৈ জ্যোতি ককাইদেউৰ পৰিয়ালো পকীতে আছিল কমলা প্ৰসাদ আগৰৱালা আদিৰ লগতে একেলগে। জ্যোতি ককাইদেউৱে বহু গীত, কবিতা ৰচনা কৰে এই পকীতে। ১৯৪৯ চনত পত্নী দেৱযানীৰ মৃত্যু হোৱাত দুই পুত্ৰক লৈ অসুস্থ অৱস্থাৰে জ্যোতি ককাইদেউ আহিছিল পকীলৈ। জ্যোতি ককাইদেউৰ ৰাজনৈতিক, ব্যক্তিগত সাংস্কৃতিক মৰ্ম্মদ জীৱনৰ বহু স্মৃতিৰ সাক্ষী ভাইবোৱাৰী মিনা আগৰৱালা। জ্যোতি ককাইদেউৱে ভাল পোৱা বিধ বিধ জুতিৰে ব্যঞ্জন ৰান্ধি খুৱাইছিল মিনাই।

আকৌ ১৯৪২ চনত জ্যোতি ককাইদেউ আছিল তেজপুৰৰ অগ্ৰগামী ভাৰতৰ স্বাধীনতা সেনানী। ভাতৃ কমলা প্ৰসাদ আৰু মিনা আগৰৱালাৰ হাতত ৰুগীয়া ভাৰ্য্যা-সন্তান এৰি স্বাধীনতা আন্দোলনত মনে প্ৰাণে একাকাৰ হৈ এদিন ইংৰাজ সৈন্যৰ পৰা পলাই আত্মগোপন কৰিব লগা হয়। জ্যোতি ককাইদেউক বিচাৰি প্ৰায়ে ইংৰাজ পুলিচে পকীত সন্ত্ৰাস চলায়, বয়বস্তু লণ্ড-ভণ্ড কৰি অশান্তিৰ সৃষ্টি কৰে। এই সকলো সমস্যাৰ মুখামুখি হয় অতি সাহসী বোৱাৰী মিনা আগৰৱালা।

১৯৫০ চনৰ অক্টোবৰৰ মাহত অসহ্য বিষৰ যন্ত্ৰণা লৈ জ্যোতিপ্ৰসাদ আগৰৱালা ঘূৰি আহে পকীলৈ। পথ্য, আহাৰ আদিৰে বৰজনাৰ যতন লয় মিনাই। তাৰ পিছত শ্বিলঙৰ ৰবাৰ্টচ হস্পিতাললৈ নিয়া হৈছিল জ্যোতি ককাইদেউক। ডাঃ হিউজে অস্ত্ৰোপ্ৰচাৰ কৰিছিল চিকিৎসালয়ত। ভয়ানক কৰ্কটৰোগত আক্ৰান্ত হৈছিল জ্যোতি ককাইদেউ। ভাইবোৱাৰী মিনাই হেনো ডাকঘৰলৈ গৈ খবৰ লৈছিল ককাইদেউৰ। জ্যোতি ককাইদেউৱে এদিন শেষ ইচ্ছা ব্যক্ত কৰিছিল'মোক তেজপুৰলৈ লৈ ব'ল।' জাহাজেৰে তেওঁক লৈ অনা হৈছিল তেজপুৰলৈ। তেজপুৰ জাহাজ ঘাটৰ পৰা অনা হৈছিল সেই ৰুগীয়া হিয়াৰ আমঠু শিল্পী জনক, যাৰ জীৱনৰ জোনাকী বাট আগচি ধৰিছিল কৰ্কটৰোগে। ভগ্ন দেহ তথাপি পকীত জ্যোতি ককাইদেউৰ যেন সেমেকা শীতৰ দৰেই এক শান্তি। ওচৰত আছিল অতি ব্যস্ত ভাইবোৱাৰী মিনা-যাৰ শুশ্ৰূষাৰ ভাষা নাই। আছিল সাতটি নিজৰ আৰু পাঁচটি ভায়েকৰ সন্তান। আছিল ভায়েক কমলা প্ৰসাদ আগৰৱালা, হৃদয় আগৰৱালা (সৰু বাপু) বাবুৰা আগৰৱালা আৰু ভনীয়েক নীৰা ডোগ্ৰা। সঘনে ৰোগীৰ কাষত আছিল বন্ধু চিকিৎসক ডাঃ ললিত চৌধুৰী আৰু বাল্যবন্ধু ডাঃ মাণিক বৰা। ১৭ জানুৱাৰীৰ দিনা ককাইদেউৰ গা বেয়া। হৰেন মহন্তই কীৰ্ত্তনৰ সুৰ লগাই গাই থাকে। ভায়েকক জ্যোতিয়ে খিড়িকিখন খুলি দিবলৈ কয়। 'পোহৰ লাগে' আজীৱন পোহৰ সন্ধানী তেওঁ, শ্ৰী কৃষ্ণ, গান্ধীজীৰ প্ৰতি অটল শ্ৰদ্ধাৰ তেওঁ জনতাৰ ৰূপান্তৰৰ শিল্পী ৰূপকোঁৱৰ। গীতাখন বুকুতে লৈ তেওঁ 'নাৰায়ণ' শব্দ উচ্চাৰণ কৰিলে, তাৰ পিছত হেৰাই গ'ল চিৰদিনলৈ। জ্যোতি ককাইদেউৰ কবিতা, গীত, নাটক আৰু মৰমে তেওঁক সাহস দিয়ে- সাহস দিয়ে তেজপুৰৰ নাৰী আন্দোলনৰ অন্যতম নেত্ৰী নিজৰ শাহু কিৰণময়ী আগৰৱালাই যোগাই যোৱা উৎসাহ আৰু প্ৰয়োজনত নাৰী সবলীকৰণ আন্দোলনত অগ্নিস্নান কৰিবলৈ ত্যাগ, সাহস. বিশ্বাস বুকুত বান্ধি আগবাঢ়ি যায় মিনা আগৰৱালাই।

**স্বামীৰ সহযোদ্ধা হিচাপে ঃ-**

কমলা প্ৰসাদ আগৰৱালা (১৯০৭-৮০) আছিল পৰমানন্দ আগৰৱালাৰ তৃতীয় সন্তান। তেওঁ কটন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ



কৰি কলিকতাৰ পৰা আইনৰ স্নাতক ডিগ্ৰী লৈ তেজপুৰত ওকালতি কৰে। ১৯৩১ চনত তেওঁ ভাৰতৰ স্বাধীনতা আন্দোলনত জড়িত হয় আৰু ১৯৪০ চনত অসম লেজিছলেটিভ কাউন্সিললৈ কংগ্ৰেছৰ মনোনীত সদস্য হিচাপে নিৰ্বাচিত হৈ ১৯৪৭ লৈ দায়িত্ব পালন কৰে। ইয়াৰ পিছত ১৯৪৮ চনৰ পৰা তিনিটা কাৰ্য্যকালৰ বাবে তেওঁ তেজপুৰ মিউনিচিপালিটি ব'ৰ্ডৰ সভাপতি হিচাপে সুখ্যাতিৰে কাৰ্য পালন কৰে। স্বাধীনতাৰ পিছত ১৯৫২ চনত তেওঁ তেজপুৰৰ পৰা বিধান সভাৰ সদস্য নিৰ্ব্বাচিত হয়। তাৰ পিছত ১৯৫৭ আৰু ১৯৬২ চনতো তেওঁ অসম বিধান সভাৰ সদস্য হিচাপে নিৰ্বাচিত হয়। ইয়াৰ পিছত ১৯৬৪-৬৭ চনলৈ কমলা প্ৰসাদ আগৰৱালা তেজপুৰ মহকুমা পৰিষদৰ অধ্যক্ষ হিচাপে কাৰ্য পৰিচালনা কৰে। ১৯৬৭চনত তেওঁ অসম বিত্তীয় নিগমৰ সভাপতি হয়। ১৯৭১ চনত তেজপুৰ লোকসভা সমষ্টিৰ সদস্য হিচাপে নিৰ্বাচিত হোৱা আগৰৱালাই ১৯৭৭ চনত ৩৭ বছৰ ব্যস্ততাপূৰ্ণ ৰাজনৈতিক জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। এসময়ৰ সঙ্গীত নাটকৰ পৰিবেশৰ পৰা ৩৭ বছৰীয়া ৰাজনৈতিক জীৱনৰ কমলা প্ৰসাদ আগৰৱালাৰ সঙ্গী আছিল মিনা আগৰৱালা। মিনা সদায় ছাঁৰ দৰে ঘূৰি ফুৰিছিল স্বামীৰ লগত। তদুপৰি কমলা প্ৰসাদ আগৰৱালা তেজপুৰৰ বহু ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান গঠনৰ আগৰণুৱা সামাজিক লোক আছিল। তেওঁ ১৯৪৫ চনত তেজপুৰত উচ্চ শিক্ষাৰ অনুষ্ঠান দৰং মহাবিদ্যালয় স্থাপনৰ প্ৰথম প্ৰতিষ্ঠাপক সভাপতি আছিল পদ্মনাথ গোহাঁঞি বৰুৱা আৰু সম্পাদক আছিল কমলা প্ৰসাদ আগৰৱালা। পিছত কমলা প্ৰসাদ দৰং মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৈ মহাবিদ্যালয় স্থাপনত নিষ্ঠাপূৰ্ণ সেৱা আগবঢ়ায়। ১৯৮০ চনৰ ২৫ ফেব্ৰুৱাৰী তাৰিখে কমলা প্ৰসাদ আগৰৱালাৰ মৃত্যু হয়। এনে এগৰাকী ব্যস্ত ৰাজনৈতিক সামাজিক সাংস্কৃতিক ব্যক্তিয়ে বহু সমস্যাৰ মাজতো সুস্থিৰ ভাবে কাম কৰিব পৰাৰ গুৰিতে আছিল পত্নী মিনা আগৰৱালাৰ অতি আন্তৰিকতাপূৰ্ণ সহযোগ।

আগৰৱালা পৰিয়ালৰ বোৱাৰী হিচাপে নিজৰ অনুভৱ ব্যক্ত কৰি মিনা আগৰৱালাই কৈছিল 'পৰিয়ালৰ প্ৰভাৱ মোৰ ওপৰত যথেষ্ট পৰিছিল। আগৰৱালা পৰিয়ালৰ বিশেষ ঐতিহ্যৰ মাজত কম বয়সতে যুগ্ম পৰিয়ালৰ দায়িত্ব ল'বলগীয়া হোৱাটো মোৰ বাবে ডাঙৰ প্ৰত্যাহবান আছিল। ঘৰ-

সংসাৰৰ কাম কৰিও ভাৰতৰ বিখ্যাত ৰাজনৈতিক সামাজিক কৰ্মীসকলৰ আলহী ঘৰ স্বৰূপে সকলোতে আতিথ্য দান কৰাৰ দিশত মই দায়িত্ব পালন কৰিবলৈ সক্ষম হৈছিলো; বিশেষকৈ মোৰ স্বামী কমলা প্ৰসাদ আগৰৱালাক জ্যোতি ককাইদেউৱে ৰাজনৈতিক দায়িত্ব গতাই দিয়াত গাওঁসমূহৰ কৰ্মীসকলৰ আহ-যাহ থকাত সেই দায়িত্ব মই নিষ্ঠাৰে পালন কৰি গাঁৱৰ-সমাজৰ বহু সমস্যাৰ দিশত জ্ঞান লাভ কৰিছিলো, তদুপৰি 'ভাৰত ত্যাগ' আন্দোলনৰ ভৰপক অৱস্থাত জ্যোতি ককাইদেউৰ অজ্ঞাত বাসৰ বাবে আমাৰ দায়িত্ব বহুত বাঢ়িছিল।'

**তেজপুৰ মহিলা সমিতিৰ পৰা জিলা মহিলা সমিতিলৈ মিনা আগৰৱালাঃ**

১৯১৯ চনত অগ্নিকন্যা চন্দ্ৰপ্ৰভা মজুমদাৰ আৰু পিছলৈ শইকীয়াই মিনা আগৰৱালাৰ শাহু কিৰণময়ী আগৰৱালা আদিৰ সহযোগত পকীতে ঁমহাদেৱ শৰ্ম্মাৰ পৰিবাৰ কুঞ্জলতা দেৱীৰ সভানেত্ৰীত্বত জন্ম দিয়ে তেজপুৰৰ মহিলা সকলৰ বাবে এক নতুন অনুষ্ঠান তেজপুৰ মহিলা সমিতি। প্ৰতিষ্ঠাপক সভানেত্ৰী হয় কিৰণময়ী আগৰৱালা আৰু সম্পাদিকা হয় চন্দ্ৰ প্ৰভা শইকীয়ানী। মহিলা সমিতিৰ যোগেদি তেজপুৰৰ মহিলাসকলে কানি নিবাৰণৰ প্ৰচাৰ, বিদেশী বস্ত্ৰ বৰ্জন, কৰি স্বদেশী বস্ত্ৰ পৰিধান, নাৰীৰ মাজত পৰ্দা প্ৰথাৰ বিৰোধ আদি ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰিপূৰক কাৰ্য্যসূচী গ্ৰহণ কৰি ৰাজপথলৈ ওলাই আহে। তেজপুৰ মহিলা সমিতিয়ে ১৯২১ চনৰ ২১ আগষ্ট তাৰিখে মহাত্মা গান্ধী তেজপুৰলৈ অহাত কংগ্ৰেছ কৰ্মীসকলৰ আহ্বানত সঁহাৰি জনাই তেজপুৰত এখন ডাঙৰ ৰাজহুৱা সভা অনুস্থিত কৰে। এই সভাত মহাত্মা গান্ধীয়ে ভাষণ দিয়াৰ উপৰিও খিলাফট আন্দোলনৰ সমৰ্থক আলি ভাতৃদ্বয় আৰু মহম্মদ আলীৰ বেগমো উপস্থিত থাকে। ১৯২২ চনত চৌৰিচৌৰাৰ হিংসাত্মক ঘটনাৰ পিছত গান্ধীজীয়ে অসহযোগ আন্দোলন স্থগিত কৰাত তেজপুৰ মহিলা সমিতিয়েও অন্যান্য কামত জড়িত হয় আৰু ক্ৰমে মহিলা সমিতিখনি নিষ্ক্ৰিয় হৈ পৰে।

ইয়াৰ পিছত ১৯২৮ চনত তেজপুৰৰ এগৰাকী সমাজসেৱী মহিলা চন্দ্ৰৰালা বৰুৱা (পূৰ্ব্বতে পটঙ্গীয়া)ৰ উদ্যোগত কলিবাৰীৰ কালীচৰণ



ভট্টাচাৰ্য্যৰ চ'ৰাঘৰত তেজপুৰ মহিলা সমিতিয়ে অসমীয়া স্বাভিমান প্ৰকাশৰ চিন্তাৰে বোধকৰো অসমীয়া মহিলা সমিতি নামেৰে পুনৰ আত্ম প্ৰকাশ কৰে। এইবাৰ সভানেত্ৰীৰ দায়িত্ব লয় মহেশ্বৰী দেৱীয়ে; সম্পাদিকা হয় চন্দ্ৰৰালা পটঙ্গীয়া আৰু বৰদা কুমাৰী দত্তই। ১৯৩৪ চনত মহাত্মা গান্ধী দ্বিতীয় বাৰ তেজপুৰলৈ আহোঁতে মহিলা সমিতিৰ সদস্যাসকলে সূত্ৰযজ্ঞ, বোৱা-কটা কাপোৰৰ প্ৰদৰ্শনী আদিত ভাগ লয়। এই সময়ত মহিলা সমিতিৰ আন এগৰাকী সক্ৰিয় কৰ্মী আছিল মিনা আগৰৱালাৰ মাতৃ হেমলতা বৰুৱা। পৰৱৰ্ত্তী কালত ১৯৪১ চনত অসমীয়া মহিলা সমিতি তেজপুৰ মহিলা সমিতিলৈ ৰূপান্তৰ হয় আৰু কিৰণময়ী বৰকাকতী সভানেত্ৰী আৰু হেমলতা বৰুৱা (মিনা আগৰৱালাৰ মাতৃ) ইয়াৰ সম্পাদিকা হয়। মহিলা সমিতিয়ে মহিলাৰ বাবে বিনামূলীয়া বাধ্যতামূলক প্ৰাথমিক শিক্ষা, প্ৰশাসনীয় বিভাগত মহিলাৰ নিযুক্তি দিয়া, মহিলা সবলীকৰণৰ কাৰণে ওলোৱা বিভিন্ন আইন আদি প্ৰচাৰৰ লগতে মহিলাৰ অৰ্থনৈতিক স্বাৱলম্বনত গুৰুত্ব দিয়ে। বিয়াৰ পিছৰ পৰাই মিনা আগৰৱালা মাতৃ আৰু শাহুৰ পথ অনুকৰণ কৰি তেজপুৰ মহিলা সমিতিৰ সৈতে মনে প্ৰাণে জড়িত হৈ পৰে। সেই সময়ত মিনা আগৰৱালাই তেজপুৰ মহিলা সমিতিত এটি গুৰত্বপূৰ্ণ প্ৰস্তাৱ আগবঢ়ায়; সেয়া হ'ল মহিলাৰ বাবে আজৰি সময়ৰ ব্যৱস্থা থকা আৰু নিজে ভালপোৱা কাম কৰাৰ অধিকাৰ থকা। প্ৰস্তাৱ সমৰ্থন কৰিছিল স্বৰ্ণপ্ৰভা মহন্তই। এই প্ৰস্তাৱকলৈ সেই সময়ত অসমৰ বাহিৰতো বৌদ্ধিক বিতৰ্কৰ সূচনা হৈছিল। পিছলৈ স্বৰ্ণপ্ৰভা মহন্তই তেজপুৰ মহিলা সমিতিৰ সক্ৰিয় নেত্ৰী হৈ পৰে আৰু সেৱিকা বাহিনী, জনশিক্ষা বিভাগ, জনস্বাস্থ্য বিভাগ, ৰাষ্ট্ৰ ভাষা প্ৰচাৰ, কৃষ্টি বিভাগ, প্ৰচাৰ সংগঠন, বিত্ত আদি বিভাগ গঠন কৰি মহিলা সবলীকৰণৰ আগভাগ লয়। ১৯৪৬ চনত মিনা আগৰৱালাই তেজপুৰ মহিলা সমিতিৰ শিক্ষানুষ্ঠানৰ সম্পাদিকাৰ দায়িত্ব নিষ্ঠাৰে পালন কৰি 'পকী' ৰ পৰাই শিপিনীৰ সূতা যোগান ধৰি কাপোৰ বোৱাই বোৱা কাপোৰৰ প্ৰদৰ্শনী পাতে। ১৯৫০ চনত গুৱাহাটীৰ বেঙ্ক অচল হৈ পৰাত তেজপুৰ মহিলা সমিতিৰ সাঁচতীয়া ধন-সংকটত পৰে ফলত গভীৰ অৰ্থ সংকট হয়। মহিলা সমিতিৰ এনে এক সংকটপূৰ্ণ অৱস্থাত ১৯৫১ চনত মিনা আগৰৱালা আৰু বিমল ভাগৱতীয়ে

যুটীয়া ভাৱে সম্পাদিকাৰ দায়িত্ব লৈ মহিলা সৱলীকৰণৰ দিশত বহুবোৰ নতুন নতুন আঁচনিৰ পাতনি মেলে।

মিনা আগৰৱালাই এই প্ৰসঙ্গত এক সাক্ষাৎকাৰত কয়- '১৯৪৭ চনৰ পৰা ২০০৪ চনলৈকে তেজপুৰ প্ৰাথমিক মহিলা সমিতি পিছলৈ তেজপুৰ জিলা মহিলা সমিতিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থাকোতে মোৰ বয়স যে ইমান হ'ল মই অনুভৱেই কৰিব পৰা নাছিলো। মই ভাৱো এটা অনুষ্ঠান এগৰাকী ব্যক্তি ইমান দীঘলীয়া সময় থকা উচিত নহয়, কাৰণ তেতিয়া নতুন প্ৰজন্মই নেতৃত্ব গঠন কৰিবলৈ সুযোগেই নাপাব।' প্ৰায় ৫৭ বছৰ তেজপুৰ মহিলা সমিতিলৈ অতি নিষ্ঠাপূৰ্ণভাৱে মিনা আগৰৱালাই সেৱা আগবঢ়ায়। মহিলা সমিতিৰ সদস্যাসকলে মিনা আগৰৱালা সমিতিৰ আজীৱন সভানেত্ৰী হোৱাটো কামনা কৰে যদিও তেখেতে মানি নলৈ ২০০৪ চনত স্ব-ইচ্ছাই তেজপুৰ মহিলা সমিতিৰ পৰা অৱসৰ গ্ৰহণ কৰে। মিনা আগৰৱালাৰ সুদীৰ্ঘ ছয় দশক জোৰা মহিলা সৱলীকৰণৰ মূল ভূষন আছিল তেখেতৰ গান্ধীবাদী প্ৰেৰণা, সত্যতা, নিষ্ঠা আৰু লক্ষ্যত উপনীত হোৱাৰ বাবে সদা জাগ্ৰত কৰ্ম সংস্কৃতি। মিনা আগৰৱালাই ভাৱে মহিলাৰ ব্যক্তিত্বৰ বিকাশে আদৰ্শ নাৰী সৃষ্টি কৰিব আৰু তেনে আদৰ্শ নাৰীৰ সমষ্টিয়ে ভবিষ্যতৰ সুখ শান্তি আৰু আনন্দৰ সমাজ সৃষ্টি কৰিব। মিনা আগৰৱালাৰ হৃদয় প্ৰৱাহত আছিল বীৰঙ্গনাৰ তেজাল প্ৰৱাহ, দেশপ্ৰেম আৰু মানৱ প্ৰেমৰ ফল্গুধাৰা। সেয়েহে তেখেত সকলোৱে চিৰ নমস্যা লোক- প্ৰজ্ঞা।

১৯৫২ চনত ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে তেজপুৰ মহিলা সমিতিৰ নতুন গৃহৰ আধাৰশিলা স্থাপন কৰে আৰু ১৯৫৪ চনত গৃহ নিৰ্মাণ সম্পূৰ্ণ হোৱাত বোৱা-কটা বিভাগ, চিলাই বিভাগ, তেজপুৰ প্ৰাক্ প্ৰাথমিক বিদ্যালয়, শিশু ভাৰতী উদ্যান, শিশু ভাৰতী বিদ্যালয়, সমবায় শিপিনী সংঘ, বিক্ৰী কেন্দ্ৰ গঢ়ি তোলা হয়। এনেদৰে মিনা আগৰৱালা আদিৰ নেতৃত্বতে তেজপুৰ মহিলা সমিতিয়ে তেজপুৰৰ অন্যতম জাকত জিলিকা অনুষ্ঠানৰ ৰূপ লাভ কৰি বহু মহিলাৰ কৰ্ম্ম সংস্থাপনৰ পথ মুকলি কৰে। ১৯৬৪ চনত তেজপুৰত সৰ্ব্বভাৰতীয় গ্ৰামীন মহিলা সমিতিৰ অধিবেশন আৰু ১৯৭৫ চনত অসম প্ৰাদেশিক মহিলা সমিতিৰ পঞ্চাশতম অধিবেশন অনুষ্ঠিত



হয়। ১৯৬২ চনত তেজপুৰ মহিলা সমিতিয়ে গুৰুত্বপূৰ্ণ সেৱা আগবঢ়ায় আৰু সমিতিৰ চৌহদতে থকা ইয়থ্ ইমাৰ্জেঞ্চি অৰ্গেনাইজেচন (Youth Emergency Organization) এ যুদ্ধৰ পটভূমিত তেজপুৰত প্ৰশংসনীয় সেৱা আগবঢ়ায়। যুদ্ধৰ পিছতে মহিলা সমিতিয়ে ইন্দিৰা গান্ধীৰ অনুৰোধত নেফাৰ( বৰ্ত্তমান অৰুণাচল) ৰুপা আৰু ডিৰাঙত মাতৃ আৰু শিশুৰ কাৰণে দুটা কেন্দ্ৰ স্থাপন কৰে। তেজপুৰ মহিলা সমিতিৰ যোগেদি নিৰৱচ্ছিন্ন সেৱা আগবঢ়োৱাৰ বাবে ১৯৯৯ চনত ইষ্টাৰ্ণ অ'মেন এছছিয়েচন (Eastern Women's association) ৰ পৰা মিনা আগৰৱালালৈ জানকী দেৱী বাজাজ পুৰস্কাৰ আগবঢ়োৱা হয়।

ইয়াৰ লগে লগে জিলা মহিলা সমিতি গঠন কৰি সমগ্ৰ জিলাখনতে মহিলাৰ আত্ম সংস্থাপন আৰু মহিলা সৱলীকৰণৰ দিশত বহুবোৰ ন ন আঁচনি লোৱা হয়। এই ক্ষেত্ৰত মিনা আগৰৱালাৰ ভূমিকা আছিল অনন্য। এই সময়তে মিনা আগৰৱালাৰ ভতিজী তথা হৃদয় আগৰৱালাৰ কন্যা ডঃ মনিষা বেহলে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ মহিলা সংস্থাৰ লগত তেজপুৰ মহিলা সমিতি তথা জিলা মহিলা সমিতিৰ কাম কাজৰ এক সংযোগ স্থাপন কৰে। বেহলৰ প্ৰচেষ্টাত বোৱা-কটা কেন্দ্ৰ, পাট-পলু, এৰি পলু উৎপাদনৰ পুঁজিৰ ব্যৱস্থা হয়। তেজপুৰ জিলা মহিলা সমিতিৰ কাৰ্যাৱলীৰ বাবেই ১৯৯৫ চনত বেইজিংত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় মহিলা সম্মিলনত ভাৰতৰ হৈ তেজপুৰ মহিলা সমিতিয়ে অংশগ্ৰহণ কৰে। ২০০৪ চনত তেজপুৰ মহিলা সমিতিৰ নেতৃত্ব লৈ ইয়াৰ গৰিমা বঢ়োৱাৰ লগতে হাজাৰ-বিজাৰ মহিলাক সংস্থাপন দি এদিন ইয়াৰ মূল নেত্ৰী মিনা আগৰৱালাই স্ব-ইচ্ছাই অৱসৰ লয়। তেজপুৰ মহিলা সমিতি তথা জিলা মহিলা সমিতিৰ ইতিহাসত মিনা আগৰৱালা সদায় হীৰাৰ দৰে উজ্জ্বল হৈ জিলিকি আছে আৰু থাকিবই।

**বঁটা-পুৰস্কাৰ-সম্বৰ্দ্ধনা**

মিনা আগৰৱালাৰ জীৱন সঙ্গীত আৰু সমাজৰ হিতৰ বাবে উৎসৰ্গিত এক ত্যাগী জীৱন। গান্ধীবাদ তেখেতৰ জীৱনৰ মূল আদৰ্শ। এদিন নৃত্য গীতৰ মাজেৰে অসমৰ প্ৰথম অৰ্কেষ্ট্ৰা দলৰ প্ৰতিনিধিত্ব কৰা মিনা আগৰৱালাই

পাৰিবাৰিক জীৱনৰ বহু ঘাত-প্ৰতিঘাত নেওচি তেজপুৰৰ তথা অসমৰ মহিলাৰ বাবে জীৱনৰ ছটা দশক ত্যাগ, নিষ্ঠা আৰু নেতৃত্বৰে যি মহিলা সৱলীকৰণৰ নিৰবচ্ছিন্ন আন্দোলন গঢ়ি তুলিলে তাৰ বিকশিত পুষ্পই আজিও সকলোতে সুবাস বিলাইছে। তেজপুৰ মহিলা সমিতি আজিও তেজপুৰৰে নহয় অসমৰ ভাৰতৰ এক আদৰ্শপূৰ্ণ মহিলা সবলীকৰণ সংস্থা।

বঁটা সম্বৰ্দ্ধনাৰ পৰিবৰ্তে হাঁহি হাঁহি কেৱল কামকহে গুৰুত্ব দিছিল মিনা আগৰৱালাই। ১৯৬৪ চনত তেজপুৰ সাহিত্য কাননে মিনা আগৰৱালাক 'লোক প্ৰজ্ঞা' উপাধি দিয়ে। ১৯৯৯ চনত ৭ জানুৱাৰী তাৰিখে তেখেতে বোম্বাইত জানকী দেৱী বাজাজ পুৰস্কাৰ গ্ৰহণ কৰে। সেইবছৰে তেজপুৰৰ মৈত্ৰী সংঘই ১৯ জুনত তেখেতক সম্বৰ্দ্ধনা জনায়। ১৯ ডিচেম্বৰ, ১৯৯৯ চনত তেজপুৰ ইতিহাস সংকলন সমিতিয়ে তেখেতক সম্বৰ্দ্ধনা জনায়।

একেদৰে ২০০৭ চনত সপ্তৰঙ্গ শিল্পী সমাজে, ২০০৬ চনত তেজপুৰ আঞ্চলিক ছাত্ৰ সন্থা, ২০০৮ চনত তেজপুৰ জিলা প্ৰশাসন, ২০০২ চনত ডিব্ৰুগড় মহিলা সমিতি, ১৯৯৫ চনত তেজপুৰ জিলা মহিলা সমিতিৰ, লক্ষীধৰ আঞ্চলিক মহিলা সমিতি, ২০০৪ চনত শিৱসাগৰৰ ইষ্টাৰ্ণ অ'মেন এচচিয়েচনে, ২০০৮ কেন্দ্ৰীয় শিল্পী দিৱস উদ্‌যাপন সমিতিয়ে, ২০১২ চনত সদৌ অসম লেখিকা সমাৰোহ সমিতি, তেজপুৰ, সাহিত্য সভা, তেজপুৰ প্ৰেছ ক্লাব, তেজপুৰ মহিলা সমিতি, তেজপুৰ জ্যেষ্ঠ নাগৰিক সংস্থা আদিয়ে সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

২০১১ চনত সমাজ সেৱা মূলক শুচিব্ৰতা ৰায় চৌধুৰী বঁটা লাভ কৰে মিনা আগৰৱালাই। একে বছৰতে অম্বিকাগিৰী স্মাৰক ন্যাসৰ বঁটাও লাভ কৰে বাইদেউৱে। ২০০৮ চনত অসম চৰকাৰে ত্যাগ, নিষ্ঠা আৰু সেৱাৰ বাবে বাইদেউলৈ আগবঢ়াই অমল প্ৰভা বঁটা। শেহতীয়া ভাৱে ২০১৩ চনত অনুষ্ঠিত তেজপুৰ মহোৎসৱত বাইদেউক সম্বৰ্দ্ধনা জনোৱা হয়।

এনে বহু বঁটা সন্মান পালেও আজি ভালে কেইবছৰ ধৰি নিৰ্ব্বাক নিস্তৰঙ্গ হৈ মিনা আগৰৱালা শেতেলিত শয্যাগত হৈ আছে। বাইদেউক দেখিলে এনেভাৱ হয় যেন এইমাত্ৰ বাইদেউ আকৌ উঠি কথা ক'ব আৰু ওলাই যাব তেজপুৰৰ, শোণিতপুৰৰ অসমৰ ভাৰতৰ মহিলাৰ দৰিদ্ৰতা,



নিৰক্ষৰতা সকলো অন্যায় অবিচাৰৰ বিপক্ষে যুঁজ দিবলৈ। তেওঁ সৃষ্টি কৰা কৰ্ম্মীসকলে যুঁজিয়ে আছে সেই নিৰৱছিন্ন যুঁজ। সকলোৱে অনুভৱ কৰে মিনা আগৰৱালা আকৌ আহক আকৌ নেতৃত্ব লওক মহিলাৰ। নিষ্ঠুৰ সময়ে যেন মিনা আগৰৱালাক ক'বলৈ কৈছে-

আগবাঢ়া
হে মোৰ সতীৰ্থসকল
মই মালিনীবনৰ শেতেলিৰ পৰাই
আগবঢ়াইছোঁ সাহস, শক্তি
হে নাৰী
তুমি আগবাঢ়া
আজুৰি আনা তোমাৰ সমস্ত
অধিকাৰ
তুমি সুশিক্ষিত হোৱা
স্বাৱলম্বী হোৱা
অন্ধকাৰ নেওচি
জোনাকী বাটেৰে আগবাঢ়া
কেৱল আগবাঢ়া।